**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-02-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

## HEADLINES

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই ৰাজ্যখনক উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষা বিভাগৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছে। ৰাজভৱনত অনুষ্ঠিত এখন বৈঠকত কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সৈতে হোৱা আলোচনাত ৰাজ্যপালগৰাকীয়ে এই কথা প্ৰকাশ কৰি কয়, যে সমাজখনক উৎকৰ্ষতাৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শ্ৰীআচাৰ্য্যই উচ্চ শিক্ষা বিভাগৰ কাৰ্যকলাপ আৰু ভৱিষ্যতৰ কাৰ্যপন্থাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাত উচ্চ শিক্ষাৰ উন্নয়নে মানৱ সম্পদ সৃষ্টিত অনুঘটকৰ কাম কৰিব। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ক ভাৰত চৰকাৰৰ এটা যুগান্তকাৰী পদক্ষেপ বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে এই শিক্ষানীতিয়ে দেশৰ শৈক্ষিক পৰিৱেশত বৈপ্লৱিক পৰিৱৰ্তন আনিব। তেওঁ ৰাজ্যৰ উচ্চ শিক্ষা বিভাগক এই নীতি আখৰে আখৰে কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়। বৈঠকত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শ্ৰী আচাৰ্য্যক ৰাজ্যৰ উচ্চ শিক্ষা বিভাগৰ বৰ্তমানৰ প্ৰকল্প, নীতি আৰু ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভত অৱগত কৰে। কালিৰ বৈঠকত ৰাজভৱনৰ উপদেষ্টা ডং হৰবংশ দীক্ষিত, উচ্চ শিক্ষা বিভাগৰ উপদেষ্টা অধ্যাপক দেৱব্ৰত দাস, আয়ুক্ত আৰু ৰাজ্যপালৰ সচিব এছ্. এছ্. মিনাক্ষী সুন্দৰম, উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰৰ উপৰি শিক্ষা বিভাগৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

ooooo

অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত কালিৰে পৰা কেন্দ্ৰীয়ভাৱে আখৰা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন জিলাৰ ৯ হাজাৰৰো অধিক চাহ জনগোষ্ঠীৰ শিল্পীয়ে এই অনুষ্ঠানত ভাগ লৈছে। এই অনুষ্ঠানৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয় আৰু সৰুসজাইত প্ৰৱেশ পত্ৰ দি থকা হৈছে। আগ্ৰহীসকলে এই তিনিও স্থানৰ পৰা প্ৰৱেশ পত্ৰসমূহ সংগ্ৰহ কৰিব পাৰিব। কাইলৈ ঝুমুৰৰ অন্তিম আখৰা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সেইদিনা প্ৰৱেশপত্ৰ নোহোৱাকৈ এই আখৰা উপভোগ কৰিবৰ বাবে জনসাধাৰণক আহ্বান জনাইছে।

ooooo

ডিব্ৰুগড় চহৰত অহা ২৫ ফেব্ৰুৱাৰীত সাময়িকভাৱে ৰন্ধন গেছৰ যোগান ব্যাহত হ'ব বুলি আছাম গেছ কোম্পানী লিমিটেডে জানিবলৈ দিছে। দ্বিতীয় পৰ্যায়ৰ মেৰামতিৰ বাবে সিদিনা পুৱা ৯ বজাৰ পৰা নিশা ৯ বজালৈ ৰন্ধন গেছৰ যোগান বন্ধ থাকিব। সেয়েহে কৰ্তৃপক্ষই সংশ্লিষ্ট জনসাধাৰণক প্ৰয়োজনীয় ৰন্ধন গেছ মজুত ৰাখিবলৈ আহ্বান জনাই এই ক্ষেত্ৰত সহযোগিতা কামনা কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী আয়োগৰ উপাধ্যক্ষ অঞ্জনা পাৱাৰ কালি তিনিচুকীয়া জিলাত উপস্থিত হয়। শ্ৰীমতী পাৱাৰে প্ৰথমে তিনিচুকীয়া চহৰৰ শিৱপুৰীয়া অঞ্চলৰ হৰিজন কলনী পৰিদৰ্শন কৰি বাসিন্দাসকলৰ সৈতে বাৰ্তালাপ কৰে। ইয়াৰ পিছত তেওঁ জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি জিলাখনৰ চাফাই কৰ্মী সংগঠনসমূহৰ সৈতে আলোচনাত মিলিত হয়। উপাধ্যক্ষগৰাকীয়ে চাফাই কৰ্মীসকলক উপযুক্ত সুৰক্ষামূলক পোছাক তথা সঁজুলি যোগান ধৰা আৰু পৰ্যাপ্ত মাত্ৰাত কৰ্মচাৰী নিয়োগৰ পৰামৰ্শ দিয়ে। তেওঁ চাফাই কৰ্মীসকলৰ সমস্যাৱলী মানৱীয় দৃষ্টিকোনেৰে বিবেচনা কৰিবলৈ পৌৰসভাৰ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়। বিয়লিৰ ভাগত উপাধ্যক্ষগৰাকী ডিব্ৰুগড় অভিমুখে ৰাওনা হয়।

০০০০০

সদৌ লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ যুটীয়া উদ্যোগত জিলাখনৰ উত্তৰ লখিমপুৰ টাউন মডেল স্কুলত কাইলৈ বহুভাষিক কবি সন্মিলনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে প্ৰীতি সন্মিলন, অন্তৰংগ আলাপ, গ্ৰন্থ উন্মোচন, কথা কবিতা আদি কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰায়কেইখন জিলাৰ কবি, গীতিকাৰ, সাহিত্যিক, নাট্যকাৰৰ উপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মেঘালয় আৰু মিজোৰামৰ কেইবাগৰাকী প্ৰথিতযশা কবি-সাহিত্যিকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০

যোৰহাট জিলা আয়ুক্তৰ সভাকক্ষত জিলা আয়ুক্তৰ অধ্যক্ষতাত অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) আৰু জিলা কৃষি বিভাগৰ বিষয়াসকলৰ সৈতে কালি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা যোজনা আৰু ৰাষ্ট্ৰীয় ভোজ্য, তেল, তৈলপাম অভিযান আঁচনিৰ অধীনৰ কৃষিৰ সা-সঁজুলি তথা যন্ত্ৰপাতি আৰু এই আঁচনিৰ বাবে হিতাধিকাৰী নিৰ্বাচন কৰা হয়।

ইয়াৰ উপৰিও জিলা আয়ুক্তৰ সভাপতিত্বত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াসকলৰ উপস্থিতিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এখন পৰ্যালোচনা সভা কালি অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত চলি থকা আঁচনিসমূহৰ বুজ লোৱাৰ লগতে নিৰ্দিষ্ট সময়ৰ ভিতৰত আঁচনিৰ কাম সমাপ্ত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়, অসম পৰ্যটন বিভাগ আৰু চৰাইদেউ জিলা প্ৰশাসনৰ সহযোগত চৰাইদেউ মৈদাম ক্ষেত্ৰত কাইলৈ **চৰাইদেউ মৈদাম হেৰিটেজ ৰান ছাফাৰী** শীৰ্ষক মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পৰ্যটন ক্ষেত্ৰসমূহৰ প্ৰচাৰ তথা মাদকদ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আয়োজন কৰা এই

প্ৰতিযোগিতা ২১ কিলোমিটাৰ, ১০ কিলোমিটাৰ আৰু ৫ কিলোমিটাৰ শাখাত অনুষ্ঠিত হ'ব। আগ্ৰহী প্ৰতিযোগীসকলে ৭৯৮০৯ ২৭৩২৯ নম্বৰত ফোন কৰি এই প্ৰতিযোগিতাত যোগদানৰ সবিশেষ জানিব পাৰিব।

০০০০০

সমাপ্ত